## তিনিচুকীয়াৰ ৱিমেন্‌ছ কলেজ

# অসমীয়া বিভাগৰ উদ্যোগত ৱিকিমিডিয়া কৰ্মশালা

**প্ৰতিদিন বিশেষ সেৱা, তিনিচুকীয়া, ১১ এপ্ৰিল ঃ** তিনিচুকীয়াৰ ৱিমেন্‌ছ কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত অলপতে দুদিনীয়াকৈ এখন ৱিকিমিডিয়া কৰ্মশালাৰ আয়োজন কৰা হয়। উল্লেখ্য যে বৰ্তমান সময়ত নব্য সাহিত্য বিষয়টো পাঠ্যপুথিত অন্তৰ্ভুক্ত হৈছে। নব্য সাহিত্যৰ এক অংশ হৈছে ৱিকিমিডিয়া। কৰ্মশালাখনত মুখ্য বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° সুবাসনা মহন্ত চৌধুৰী। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে দুয়োটা দিনতে উপস্থিত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অতিথি অধ্যাপক ভাস্কৰ ভূঞা। ৱিমেনজ কলেজ তিনিচুকীয়াৰ অসমীয়া বিভাগৰ শিক্ষক, ছাত্ৰীৰ লগতে অন্যান্য বিভাগৰো শিক্ষক, ছাত্ৰীসকলে কৰ্মশালাখনত অংশগ্ৰহণ কৰে। সমল ব্যক্তিগৰাকীয়ে কৰ্মশালাখনত মূলতঃ অসমীয়া ৱিকিমিডিয়া প্ৰকল্পসমূহৰ সামগ্ৰিক ধাৰণা দিয়াৰ লগতে ছাত্ৰীসকলক ৱিকিপিডিয়া, ৱিকিউতস, ৱিকিকমন্স, ৱিকিউদ্ধৃতি আদিৰ বিষয়ে শিক্ষা দিয়ে। উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভাৰাণী গোস্বামীয়ে সকলোকে আদৰণি জনায়। অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান দেৱাশিস ফুকনে আঁত ধৰা অনুষ্ঠানটোৰ শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড° কৰবী বৰুৱা গগৈয়ে।

